জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১১০/২০২০

**একশৰণ নামধৰ্ম সমাজৰ ৩০ সংখ্যক মহা পালনাম আৰু পঞ্চম দ্বি-বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

**অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিকভাৱে শক্তিশালী হ'ব লাগিলে নিজৰ কৰ্মত মানৱীয় দৃষ্টিভংগী থাকিব লাগিব ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ৭ মাৰ্চ ঃ** 'সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণৰ বাবে যি আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে সেয়া নতুন প্ৰজন্মৰ বাবে অনুকৰণীয়। আঁহতগুৰিত জন্মগ্ৰহণ কৰা এইগৰাকী মহান মনীষীয়ে ওড়িশাৰ সম্বলপুৰ তথা কলকাতাত অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে যৎপৰোনাস্তি প্ৰয়াস চলাইছিল। সাহিত্যৰথীৰ এই আদৰ্শৰে অসমৰ যুৱ প্ৰজন্মই বিশ্বৰ বুকুত নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিব লাগিব। অসমীয়া জাতিক আগুৱাই নিয়াৰ বাবে তেখেতে দি যোৱা প্ৰেৰণাৰ পথেৰে আমি আগুৱাব লাগিব। ইয়াৰ বাবে পিতৃ-মাতৃকে ধৰি সমাজৰ প্ৰতিটো শ্ৰেণীৰ জনসাধাৰণে উঠি অহা প্ৰজন্মক উৎসাহিত কাৰিব লাগিব। আজি মৰিগাঁও জিলাৰ আঁহতগুৰিত একশৰণ নামধৰ্ম সমাজৰ ৩০ সংখ্যক মহা পালনাম আৰু পঞ্চম দ্বি-বাৰ্ষিক অধিৱেশন উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আমাৰ পৰম্পৰাগত সংস্কৃতিক বিকশাই তোলাৰ ক্ষেত্ৰত আঁহতগুৰিৰ গুৰুত্বপূৰ্ণ অৰিহণা আছে। মুখ্যমন্ত্ৰীয়ে কয় যে একশৰণ নামধৰ্ম সমাজৰ প্ৰতিষ্ঠাপক ইলাৰাম দাসে আমাৰ আধ্যাত্মিক তথা সাংস্কৃতিক জীৱন শক্তিশালী কৰি থৈ গৈছে। আধ্যাত্মিকতাই শৃংখলাবদ্ধ জীৱন যাপনৰ বাবে পৰিৱেশ নিৰ্মাণ কৰে। যি জাতীয়ে শৃংখলাবদ্ধভাৱে আগুৱাব নোৱাৰে সেই জাতিয়ে সমাজ তথা ৰাষ্ট্ৰত মূল্যবোধ প্ৰতিষ্ঠা কৰিব নোৱাৰে। আধ্যাত্মিক সংগঠন হিচাপে একশৰণ নামধৰ্ম সমাজে আমাৰ সমাজ জীৱনত আধ্যাত্মিক শৈলী শক্তিশালী কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে সামাজিক সংস্কাৰৰ বাবে প্ৰতিগৰাকী ব্যক্তিয়ে মানসিক সংস্কাৰ সাধন কৰি একো একোগৰাকী মানৱ সম্পদলৈ ৰূপান্তৰ সাধন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে আধ্যাত্মিক চেতনাই আমাক জ্ঞানৰ পোহৰ দেখুৱায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধদেৱে এখন শক্তিশালী সমাজ গঢ়ি থৈ গৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে মনৰ সংস্কাৰ সাধন কৰি সাংস্কৃতিক আৰু আধ্যাত্মিক সংস্কাৰৰ বাবে যুৱ প্ৰজন্মক আমি সকলোৱে উৎসাহিত কৰিব লাগিব।

মানুহে মানুহৰ বাবে উৎসৰ্গিত মনোভাৱেৰে কাম কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এক সমৰ্পিত জীৱন গঢ়াৰ বাবে প্ৰতিগৰাকী ব্যক্তিয়ে কাম কৰিব লাগিব। মানুহ সামাজিক প্ৰাণী হিচাপে সামাজিক দায়বদ্ধতাৰ দিশত গুৰুত্ব আৰোপ কৰিব লাগিব। অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিকভাৱে শক্তিশালী হ'ব লাগিলে নিজৰ কৰ্মত মানৱীয় দৃষ্টিভংগী থাকিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অন্ধবিশ্বাস আৰু কুসংস্কাৰ আঁতৰ কৰি এক আদৰ্শৱান সমাজ নিৰ্মাণৰ বাবে আমি কাম কৰিব

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

লাগিব। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে উঠি অহা প্ৰজন্মক ছ'চিয়েল মিডিয়াৰ অপপ্ৰয়োগ ৰোধ কৰাৰ ক্ষেত্ৰত সচেতন কৰি তুলিব লাগিব বুলিও কয়। মুখ্যমন্ত্ৰীয়ে কয় যে একশৰণ নামধৰ্ম সমাজে প্ৰতিষ্ঠা কালৰে পৰা সমাজত শান্তি-সম্প্ৰীতি, সমন্বয় আৰু ভাতৃত্ববোধৰ বাবে কাম কৰি আহিছে। মানৱীয় অনুভূতিৰে এখন সমাজ নিৰ্মাণ কৰিব পাৰিলেহে ইলাৰাম দাসৰ লক্ষ্য পূৰণৰ দিশত আমি অগ্ৰসৰ হ'ব পাৰিম। অসমবাসীয়ে নিজৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি আৰু আধ্যাত্মিক সমাজখনক শক্তিশালীভাৱে আগুৱাই নিব পাৰিলে বিশ্ববাসীক প্ৰমূল্যবোধৰ জ্ঞান দিব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

সভাত পৌৰোহিত্য কৰি স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে মহাপুৰুষ শংকৰদেৱে অসমীয়া জাতি সত্বাক শক্তিশালী ৰূপদান কৰি গৈছে। শংকৰদেৱৰ আদৰ্শ আৰু বাণীসমূহেৰে আমাৰ সমাজ জীৱন অধিক শক্তিশালী কৰি তুলিব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে কয়।

আজিৰ এই সভাত বিধায়ক ৰমাকান্ত দেউৰী, শংকৰদেৱ নামধৰ্ম সমাজৰ সভাপতি দিনেশ মহন্ত, বিশিষ্ট সাহিত্যিক ইছমাইল হুছেইন, মৰিগাঁও জিলাৰ উপায়ুক্ত ঋতুৰাজ বৰা, একশৰণ নামধৰ্ম সমাজৰ বিষয়ববীয়া প্ৰমুখ্যে ভক্তপ্ৰাণ ৰাইজ উপস্থিত আছিল।

**পুঃডেঃ**
**৭-০৩-২০২০**